# ৰঙিয়া মহাবিদ্যালয়ত কৰ্মশালা

প্ৰতিদিন বিশেষ সেৱা, ৰঙিয়া, ২৯ মে' ঃ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধীনৰ গুৱাহাটীস্থ যোগ আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ উদ্যোগত অলপতে ৰঙিয়া মহাবিদ্যালয়ত যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। সংগীতা কলিতাই প্ৰশিক্ষণ প্ৰদান কৰা উক্ত কৰ্মশালাত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়াৰ লগতে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা প্ৰশিক্ষক সংগীতা কলিতাই কয় যে যোগ হৈছে শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ এক উৎকৃষ্ট মাধ্যম। ভাৰতীয় ঋষি-মুনিয়ে বহু যুগ আগতে যোগৰ জৰিয়তে অসাধ্য সাধন কৰি থৈ গৈছে। তেওঁ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক যোগ আৰু প্ৰাকৃতিক চিকিৎসাই কিদৰে উপকাৰ কৰে তাৰ ব্যাখ্যা দাঙি ধৰে।